# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন অনুষ্ঠানৰ অংশ হিচাপে আজি বৰপেটা জিলাত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, যে জনসাধাৰণৰ উন্নয়ন সাধনেই হৈছে বৰ্তমানৰ চৰকাৰৰ উদ্দেশ্য। ৰাজ্যৰ জনসাধাৰণৰ বাবে শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰে বিভিন্ন শিতানৰ ২৫ লাখৰো অধিক হিতাধিকাৰীক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত শ্ৰীবৰুৱাই অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনিৰ অধীনত ২ হাজাৰ ৪৮ গৰাকী মহিলাক ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। তেওঁ লগতে আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ১৮০ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধন প্ৰদান কৰে।

চৰাইদেউ জিলাত অনুষ্ঠিত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী বিমল বৰাই কয়, যে ৰাজ্য চৰকাৰে বিভিন্ন বঁটা প্ৰদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ দিশত সহায় কৰি আহিছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণ নিষ্ঠা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ জৰিয়তে উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ আৰু সমাজৰ হিতৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ ৭০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা, ৩৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা আৰু নৱম শ্ৰেণীত অধ্যয়নৰত ৪ হাজাৰ ১১৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

দৰং জিলাৰ মঙলদৈ গান্ধী ময়দানত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা আৰু আন্যান্য বিশিষ্ট ব্যক্তিসকলে অসম মাইক্ৰ'ফাইনেন্স আৰু সকাহ আঁচনিৰ অধীনত হিতাধিকাৰীৰ মাজত ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰে।

০০০০

২০২৪-২৫ বৰ্ষৰ বাবে ৰাজ্যৰ যোগ্য সমবায় সমিতিসমূহে আৰ্থিক সাহায্যৰ আবেদন দাখিলৰ সময়সীমা অহা ২০ ডিচেম্বৰত অন্ত পৰিব। হিতাধিকাৰী অসম সমবায় সমিতি আইন ২০০৭ৰ অধীনত পঞ্জীয়নভুক্ত সমবায় সমিতিসমূহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। সমবায় সমিতিসমূহৰ ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ যথা বিধি পৰীক্ষণ হোৱাটো বাঞ্ছনীয়। তদুপৰি বিগত ৩ বছৰ ধৰি নিয়মিতভাৱে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা সমিতিসমূহকহে এই সাহায্যৰ বাবে যোগ্য বিবেচনা কৰা হ'ব। সাধাৰণ ক্ষেত্ৰৰ সমবায় সমিতিসমূহৰ লগতে ৰাজ্যিক পৰ্যায়ৰ যোগ্য সমবায় সমিতিসমূহে www.farcs.assam.gov.in-ৰ জৰিয়তে এই আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন কৰিব পাৰিব।

০০০০

স্বচ্ছ আৰু নাগৰিককেন্দ্ৰিক শাসনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা সু-শাসন সপ্তাহৰ অংশ হিচাপে লখিমপুৰত অহা ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সু-শাসন সপ্তাহৰ জৰিয়তে ৰাজহুৱা অভিযোগসমূহৰ সমাধান কৰিবলৈ জিলাখনৰ সকলো বিভাগীয় কাৰ্যালয়ৰ লগতে ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। ৰাজহুৱা সেৱা উন্নীতকৰণৰ বাবে নাগৰিকসকলৰ অমীমাংসিত

আবেদনসমূহ শীঘ্ৰেই নিষ্পত্তি কৰিবলৈ সকলো বিভাগকে নিৰ্দেশ দিয়া হৈছে। জিলাখনত অহা ২৩ ডিচেম্বৰত বিভিন্ন বিভাগে গ্ৰহণ কৰা উদ্ভাৱনীমূলক পদক্ষেপসমূহ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

০০০০

আৰকাৰী মন্ত্ৰী অতুল বৰাই আজি জনতা ভৱনত বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জিলা ভিত্তিক ৰাজহ সংগ্ৰহৰ স্থিতি পৰ্যালোচনা কৰাৰ লগতে বিভাগটোৰ বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ সবিশেষ পৰ্যালোচনা কৰা হয়। ৰাজ্যৰ ৰাজহ আহৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আৰকাৰী বিভাগৰ ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াসকলক নিষ্ঠাৰে পালন কৰাত গুৰুত্ব আৰোপ কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে আৰকাৰীৰ নীতি নিয়মসমূহ কঠোৰভাৱে পালন কৰাৰ দিশতো গুৰুত্ব আৰোপ কৰে।

ইফালে কৃষি বিভাগৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰি বিভাগটোৰ অধীনত বিভিন্ন আঁচনি আৰু কাম-কাজৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বুজ লয়। তেওঁ বিষয়াসকলৰ পৰা হিতাধিকাৰী কৃষকসকলক বীজ আৰু কৃষি সা-সজুলি বিতৰণৰ সন্দৰ্ভত সবিশেষ বুজ লোৱাৰ লগতে কৃষি উৎপাদন বৃদ্ধিৰ লগতে বিভাগক বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা বৈঠকত পি এম কিষাণ আঁচনিৰ অধীনত সৰ্বাধিক সংখ্যক যোগ্য কৃষকক অন্তৰ্ভুক্ত কৰা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰা, কৃষক উৎপাদন কোম্পানীসমূহক সহায় সাহায্য আগবঢ়োৱাৰ বিষয়ে আলোচনা কৰা হয়। দুয়োখন বৈঠকত সংশ্লিষ্ট বিভাগ দুটাৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছিল।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বঙাইগাওঁৰ কাকৈজানা সংৰক্ষিত বনাঞ্চল পৰিদৰ্শন কৰে। এই বনাঞ্চলখনত বিগত বছৰত ৯ টা আৰু চলিত বছৰত ৭ টা সোণালী বান্দৰ দুৰ্ঘটনাগ্ৰস্থ হৈ মৃত্যু হোৱা বিষয়টো লৈ মন্ত্ৰী শ্ৰীদাসে দুখ প্ৰকাশ কৰে। প্ৰায় ৪০০ সোণালী বান্দৰ থকা বঙাইগাওঁ জিলাৰ কদমতলা আৰু ৰাভাপাৰা অঞ্চলৰ ৰাইজে এই বান্দৰৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে যথেষ্ট কষ্ট কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ বাবে কিছু নতুনত্ব অনাৰ বিষয়ে ভবাৰ থল আছে বুলি কয়। তেওঁ লগতে কয়, যে সোণালী বান্দৰবোৰ কাকৈজানা গাওঁৰ পৰা পাহাৰ অভিমুখে পঠিয়াব পাৰিলে এই জীৱকুল ৰক্ষা পৰিব। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ লগত জিলা আয়ুক্ত নৱদীপ পাঠককে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত আছিল।

০০০০

সমাপ্ত